**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 20-11-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু তিনিদিনীয়া ভ্ৰমণসূচীৰে আজি চত্তিশগড়, তেলেংগানা আৰু অন্ধ্ৰপ্ৰদেশলৈ ৰাওনা হ'ব।

২। G-20 নেতাসকলৰ ২০ সংখ্যক সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে কাইলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দক্ষিণ আফ্ৰিকাৰ জোহান্সবাৰ্গলৈ যাব।

৩। জনতা দল ইউনাইটেডৰ মুৰববী নীতিশ কুমাৰে আজি দশম বাৰৰ বাবে বিহাৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব।

৪। গোৱাত আজিৰে পৰা ৫৬ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ- IFFI অনুষ্ঠিত হ'ব।

*আৰু*

৫। ভাৰতৰ ৮ গৰাকী মহিলা আৰু ৭ গৰাকী পুৰুষসহ মুঠ ১৫ গৰাকী খেলুৱৈয়ে বিশ্ব বক্সিং কাপ ২০২৫ৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু তিনিদিনীয়া ভ্ৰমণসূচীৰে আজি চত্তিশগড়, তেলেংগানা আৰু অন্ধ্ৰপ্ৰদেশলৈ ৰাওনা হ'ব। এই ভ্ৰমণৰ সময়ত ৰাষ্ট্ৰপতি অম্বিকাপুৰত আয়োজিত জনজাতীয় গৌৰৱ দিৱস উদযাপন অনুষ্ঠানত উপস্থিত থাকিব।

ভ্ৰমণৰ দ্বিতীয় দিনা শ্ৰীমতী মুৰ্মুৱে তেলেংগানাৰ চিকন্দাবাদৰ ৰাষ্ট্ৰপতি নিলয়মত ভাৰতীয় কলা মহোৎসৱ ২০২৫ মুকলি কৰিব। ভাৰতীয় কলা মহোৎসৱৰ এই দ্বিতীয় সংস্কৰণত গুজৰাট, মহাৰাষ্ট্ৰ, ৰাজস্থান, গোৱা, দাদৰা আৰু নগৰ হাভেলী তথা দমন আৰু দিউৰ চহকী সাংস্কৃতিক বন্ধন আৰু কলাত্মক পৰম্পৰাৰ বিষয়ে আলোকপাত কৰা হ'ব। পৰহিলৈ ৰাষ্ট্ৰপতিগৰাকীয়ে অন্ধ্ৰপ্ৰদেশৰ পুট্টাপাৰ্থিৰ প্ৰশান্তি নিলয়মত শ্ৰীসত্য সাইবাবাৰ শতবাৰ্ষিকী উদযাপনৰ সৈতে সংগতি ৰাখি আয়োজন কৰা বিশেষ অধিবেশনত উপস্থিত থাকিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে G-20 নেতাসকলৰ ২০ সংখ্যক সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে কাইলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে দক্ষিণ আফ্ৰিকাৰ জোহান্সবাৰ্গলৈ যাব। এইখন হ'ব গ্লোবেল ছাউথত একেৰাহে চতুৰ্থবাৰৰ বাবে আয়োজিত G-20 সন্মিলন। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা মতে এই সন্মিলনত প্ৰধানমন্ত্ৰী G-20 কাৰ্যক্ৰমণিকা সন্দৰ্ভত ভাৰতৰ দৃষ্টিভংগী দাঙি ধৰিব। শ্ৰীমোদীয়ে এই সন্মিলনৰ তিনিওটা সত্ৰতে ভাষণ দিয়াৰ কথা আছে। G-20 সন্মিলনৰ সুযোগতে শ্ৰীমোদীয়ে জোহান্সবাৰ্গত কেইবাগৰাকীমান নেতাৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হোৱাৰো সম্ভাৱনা

আছে। তেওঁ লগতে দক্ষিণ আফ্ৰিকাই আয়োজন কৰা ভাৰত-ব্ৰাজিল আৰু দক্ষিণ আফ্ৰিকাৰ নেতাসকলৰ বৈঠকতো অংশগ্ৰহণ কৰিব।

ooooo

জনতা দল ইউনাইটেডৰ মুৰববী নীতিশ কুমাৰে আজি দশম বাৰৰ বাবে বিহাৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। পাটনাৰ ঐতিহাসিক গান্ধী ময়দানত আজি দিনৰ চাৰে ১১ বজাত এই শপত গ্ৰহণ অনুষ্ঠান আৰম্ভ হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে আন ভালেসংখ্যক বিশিষ্ট ব্যক্তি এই অনুষ্ঠানত উপস্থিত থাকিব।

উল্লেখযোগ্য যে জে ডি ইউৰ মুৰববী নীতিশ কুমাৰক কালি এন ডি এৰ নেতা হিচাপে নিৰ্বাচিত কৰা হয়। পাটনাত কালি অনুষ্ঠিত মিত্ৰজোঁটৰ পাঁচটা অংশীদাৰী দলৰ নৱনিৰ্বাচিত বিধায়কসকলৰ যুটীয়া বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়।

ৰাজ্যখনৰ ২৪৩ জনীয়া বিধানসভাৰ বাবে অলপতে হোৱা নিৰ্বাচনত এন ডি এই ২০২ খন আসন লাভ কৰি বিপুল সংখ্যাগৰিষ্ঠতাৰে পুনৰ ক্ষমতা হস্তগত কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে বিজেপিৰ নেতা সম্ৰাট চৌধৰীক দলৰ বিধায়িনী গোটৰ নেতা আৰু বিজয় সিনহাক উপ-নেতা হিচাপে নিৰ্বাচিত কৰা হয়।

ooooo

ভাৰতীয় সুৰক্ষা আৰু বিনিয়ম বোৰ্ড- ছেবিয়ে বিনিয়োগকাৰী সকলক সাৱধান হৈ থকাৰ লগতে পঞ্জীয়ন নকৰা অনলাইন বণ্ড প্লেটফৰ্মত লেনদেন কৰিবলৈ আহ্বান জনাইছে। পঞ্জীয়নভুক্ত নোহোৱা প্লেটফৰ্মসমূহ পৰ্যবেক্ষণ তথা নিৰীক্ষণৰ আওঁতালৈ নাহে আৰু এই প্লেটফৰ্মসমূহত বিনিয়োগকাৰী সকলৰ সুৰক্ষা আৰু ওজৰ-আপত্তি আদি গ্ৰহণ কৰাৰো কোনো ব্যৱস্থা নাথাকে বুলি ছেবিয়ে প্ৰকাশ কৰিছে। কালি জাৰি কৰা এখন প্ৰেছ বিজ্ঞপ্তিত ফিনটেক কোম্পানীসমূহ আৰু ষ্টক ব্ৰকাৰ সকলৰ লগতে বিভিন্ন সংস্থাই উপযুক্ত পঞ্জীয়ন অবিহনেই অনলাইন বণ্ড প্লেটফৰ্ম প্ৰদানকাৰী হিচাপে সেৱা আগবঢ়াইছে বুলি প্ৰকাশ পাইছে। এনেধৰণৰ কাম-কাজক ২০১৩ চনৰ কোম্পানী আইন আৰু ১৯৯২ চনৰ ছেবি আইনৰ অধীনত প্ৰযোজ্য নীতি-নিয়মৰ উলংঘন হিচাপেও গন্য কৰা হয়। সংস্থাসমূহৰ পঞ্জীয়নৰ স্থিতি পৰীক্ষাৰ বাবে বিনিয়োগকাৰী সকলে ছেবি, বি এছ ই আৰু এন এছ ই-ৰ ৱেবছাইট চাব পাৰে বুলিও বিজ্ঞপ্তিখনত লগতে প্ৰকাশ কৰা হৈছে।

ooooo

ৰাষ্ট্ৰীয় সমবায় উন্নয়ন নিগম- NCDC-এ সমবায়সমূহৰ সবলীকৰণৰ ক্ষেত্ৰত শক্তিশালী মাধ্যম হিচাপে কাম কৰাৰ লগতে সেই সমূহক প্ৰয়োজনীয় বিত্তীয় সাহায্য প্ৰদান কৰি আহিছে বুলি কেন্দ্ৰীয় সমবায় মন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি NCDCৰ ৯২ সংখ্যক সাধাৰণ পৰিষদৰ বৈঠকত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে। শ্ৰীশ্বাহে দেশত প্ৰথম সমবায় টেক্সী সেৱা শুভাৰম্ভ কৰাৰ ক্ষেত্ৰত NCDCৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ ওপৰতো আলোকপাত কৰে। তেওঁ কয়, যে নতুন বহু ৰাজ্যিক সমবায় সমিতি পঞ্জীয়ন কৰা হৈছে আৰু ইয়াৰ অধীনত চালকৰ অন্তৰ্ভুক্তিৰ লগতে প্ৰযুক্তিগত বিকাশৰ কামসমূহো চলি আছে।

মন্ত্ৰীগৰাকীয়ে কয়, যে বিগত কিছু বছৰত সমবায়সমূহলৈ NCDCৰ বিত্তীয় সাহায্যৰ পৰিমাণ প্ৰায় চাৰিগুণ বৃদ্ধি হৈ ৯৫ হাজাৰ কোটি টকাৰো অধিক হৈছে। ইয়াৰ লগতে NCDC-এ আগবঢ়োৱা বিত্তীয় সাহায্যৰ জৰিয়তে এহেজাৰৰো অধিক মীন পালক তথা উৎপাদক সংস্থা এফ এফ পি অ' অধিক সবল

হৈছে বুলিও তেওঁ কয়। শ্ৰীশ্বাহে কয়, যে দুগ্ধ উৎপাদন খণ্ড, পশুপালন, মীন আৰু মহিলা সমবায় সমিতিসমূহৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি NCDC-এ ২০ হাজাৰ কোটি টকাৰ আৱণ্টন দিব।

সমবায় মন্ত্ৰালয়ে প্ৰকাশ কৰা এখন বিজ্ঞপ্তি অনুসৰি বিজয়ৱাড়াত এটা নতুন আঞ্চলিক কাৰ্যালয়ৰ লগতে জম্মু-কাশ্মীৰ, লাডাখ, ছিকিম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, অৰুণাচল প্ৰদেশ, মেঘালয় আৰু নাগালেণ্ডত উপ-কাৰ্যালয় স্থাপনৰ জৰিয়তে NCDC-এ সমবায় খণ্ডক অধিক শক্তিশালী কৰিছে।

ooooo

গোৱাত আজিৰে পৰা ৫৬ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ- IFFI অনুষ্ঠিত হ'ব। এইবাৰো এই মহোৎসৱে ইউনিচেফৰ সহযোগিতাত কাহিনীৰ জৰিয়তে শৈশৱৰ বিভিন্ন দিশ উদযাপন কৰিব। এখন চৰকাৰী বিজ্ঞপ্তি অনুসৰি এইবাৰৰ এই মহোৎসৱত বিশ্বৰ বিভিন্ন প্ৰান্তৰ ৫ খন ব্যতিক্ৰমী চলচ্চিত্ৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। মহোৎসৱত ৮০ খনতকৈও অধিক দেশৰ অতিথি আৰু চলচ্চিত্ৰ নিৰ্মাতাসকলে অংশগ্ৰহণ কৰিব। এইবাৰ দেশ-বিদেশৰ ২৭০ খনতকৈও অধিক চলচ্চিত্ৰ প্ৰদৰ্শন কৰা হ'ব।

ooooo

হামাছৰ নিয়ন্ত্ৰণত থকা গাজাৰ এটা অংশত ইজৰাইলে বিমানেৰে কৰা চাৰিটাকৈ আক্ৰমণত অতি কমেও ২৫ জন পেলেষ্টাইনী নাগৰিকে প্ৰাণ হেৰুৱাইছে। অক্টোবৰত অস্থায়ী যুদ্ধ বিৰতি ঘোষণা হোৱাৰ পাছত এই আক্ৰমণ সংঘটিত হৈছে বুলি স্থানীয় স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। ইজৰাইলী সৈন্যই প্ৰকাশ কৰা অনুসৰি পেলেষ্টাইনী সেনাই প্ৰায় ৬টা সপ্তাহৰ যুদ্ধ বিৰতি উলংঘা কৰি দেশখনৰ সেনাবাহিনীক লক্ষ্য কৰি গুলীবৰ্ষণ কৰে। ইয়াৰ পাছতহে ইজৰাইলে গাজা ভূখণ্ডৰ ভিতৰত হামাছক লক্ষ্য কৰি আক্ৰমণ কৰিবলৈ বাধ্য হয়।

ooooo

উত্তৰ প্ৰদেশৰ মুখ্য নিৰ্বাচনী বিষয়া নৱদীপ ৰিনাৱাই ৰাজ্যখনৰ ভোটাৰ তালিকাৰ বিশেষ সংশোধনী অভিযানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ সকলো ভোটদাতাক আহ্বান জনাইছে। ভোটদাতাসকলে  সাৱধানেৰে ভোটাৰ তালিকাৰ লগত সংগতি থকা প্ৰ-পত্ৰসমূহ পূৰণ কৰি বুথ পৰ্যায়ৰ বিষয়াক ঘূৰাই দিবলৈও তেওঁ কয়। প্ৰ-পত্ৰসমূহত স্বাক্ষৰ কৰি বুথ পৰ্যায়ৰ বিষয়াক ঘূৰাই দিয়া ভোটদাতা সকলৰ নাম অহা ৯ ডিচেম্বৰত প্ৰকাশ পাবলগীয়া খচৰা ভোটাৰ তালিকাত অন্তৰ্ভুক্ত হ'ব।

ooooo

ভাৰতৰ ৮ গৰাকী মহিলা আৰু ৭ গৰাকী পুৰুষসহ মুঠ ১৫ গৰাকী খেলুৱৈয়ে বিশ্ব বক্সিং কাপ ২০২৫ৰ ফাইনেলত প্ৰৱেশ কৰিছে। বিশ্বৰ ১৬ খন দেশৰ ১৩০ গৰাকীতকৈও অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাত ভাৰতৰ পুৰুষ আৰু মহিলা উভয় শাখাতে শ্ৰেষ্ঠ প্ৰদৰ্শন আগবঢ়াইছে। বিশ্ব চেম্পিয়ন জেচমিন লাম্বোৰিয়া আৰু দুবাৰৰ প্ৰাক্তন বিশ্ব চেম্পিয়ন নিখাট জৰিনৰ নেতৃত্বত কালি বিশ্ব বক্সিঙত ভাৰতে সৰ্বকালৰ শ্ৰেষ্ঠ প্ৰদৰ্শনেৰে নিজৰ প্ৰতিপত্তি বজাই ৰাখে। নিখাটে ৫১ কিলোগ্ৰাম শাখাত উজবেকিস্তানৰ গুলচেভাৰ গেনিয়েভা ৫-০ ফলাফলত পৰাস্ত কৰি ফাইনেলত প্ৰবেশ কৰে। ইপিনে জেচমিনেও কাজাখস্তানৰ প্ৰতিদ্বন্দ্বী উলঝান চাৰ্চেনবেকক ৫-০ ফলাফলত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন আজি অনুষ্ঠিত হ'ব।

ooooo

ছিডনীত অনুষ্ঠিত অষ্ট্ৰেলিয়ান অপেন SUPER-500 বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ লক্ষ্য সেন আৰু এইচ এছ প্ৰণয়ে পুৰুষৰ ছিংগলছৰ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। ২০২৪ৰ পেৰিছ অলিম্পিকত ছেমি ফাইনেলত প্ৰৱেশ লক্ষ্য সেনে চীনা টাইপেইৰ ছু-লি-য়াঙক ২১-১৭, ২১-১৩ গেমত পৰাস্ত কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। আনহাতে প্ৰণয়ে ইণ্ডোনেছিয়াৰ য়'হানেছ ছাউট মাৰ্চেলিনক ৬-২১, ২১-১২, ২১-১৭ গেমত পৰাস্ত কৰি দ্বিতীয় ৰাউণ্ডত স্থান নিশ্চিত কৰে। পূৰ্বৰ বিশ্বৰ এক নম্বৰ খেলুৱৈ শ্ৰীকান্তে চীনা টাইপেইৰ লি-ছিয়া-হাওক পৰাস্ত কৰি ইতিমধ্যেই প্ৰি-কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০০০

পৰহিলৈৰ পৰা গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট এছ'ছিয়েছনৰ খেলপথাৰত হ'বলগীয়া গুৱাহাটী টেষ্টৰ বাবে ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ দল দুটা কালি গুৱাহাটীত উপস্থিত হয়। দুয়োটা দলকে বিশেষ ছাৰ্টাৰ্ড বাছেৰে বিমান বন্দৰৰ পৰা হোটেল ৰেডিছন ব্লুলৈ লৈ যোৱা হয়। বিমান বন্দৰ আৰু হোটেলত দল দুটাৰ অগণন অনুৰাগীয়ে তেওঁলোকক হৰ্ষোধ্বনিৰে আদৰণি জনায়। দুয়োটা দলে আজি বৰ্ষাপাৰা ষ্টেডিয়ামত অনুশীলন চলাব।

উল্লেখযোগ্য যে দুয়োটা দলৰ মাজৰ চলিত দুখনীয়া ক্ৰিকেট টেষ্ট শৃংখলাটোত দক্ষিণ আফ্ৰিকাই কলকাতাত অনুষ্ঠিত প্ৰথম টেষ্টত জয়লাভ কৰি ১-০ৰ অগ্ৰগতি লাভ কৰি আছে। উল্লেখযোগ্য যে গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত এইবাৰ পোন প্ৰথমবাৰৰ বাবে টেষ্ট মেচ অনুষ্ঠিত হ'ব। খেলখনৰ বাবে গুৱাহাটী তথা সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ ক্ৰিকেট প্ৰেমীৰ মাজত যথেষ্ট উৎসাহৰ সৃষ্টি হৈছে।

০০০০০

সমাপ্ত